Assam Judicial Service Grade III (Mains) 2021

Paper V · Assamese · compulsory paper

৫০ নম্বৰ · ২ ঘণ্টা · ৩০ মে' ২০২২ (২০২১ বৰ্ষৰ নিযুক্তি)

1. তলৰ শব্দকেইটিৰ অৰ্থ লিখক: ক) শস্যক্ষেত্ৰ খ) শ্ৰেষ্ঠ গ) অতিথি ঘ) নৰিয়া ঙ) উলাহ চ) নিদৰ্শন (১/২ × ৬ = ৩)

2. তলৰ শব্দকেইটিৰ বিপৰীত লিংগ বুজোৱা শব্দ লিখক: ক) যুৱক খ) ৰজা গ) ল'ৰা ঘ) পুৰুষ ঙ) সি চ) শিক্ষক (১/২ × ৬ = ৩)

3. এটা শব্দত প্ৰকাশ কৰক: ক) মাকৰ ভনীয়েক খ) যি নিজৰ দেশক ভাল পায় গ) বস্তু-বস্ত্ৰ বেচা-কিনা কৰা ঠাই ঘ) কঁঠালৰ কলি ঙ) যাৰ অন্ত নাই চ) পৰৰ অধীন (১/২ × ৬ = ৩)

4. তলৰ বাক্যবোৰ শুদ্ধকৈ লিখক: ক) মাই ভাত বনাই আছে । খ) ৰাইজসকল, মোক ক্ষমা কৰক । গ) আমিবোৰ ভাৰতীয় নাগৰিক । ঘ) নদীৰ পাৰত মলয়া বতাহ আহিছে । ঙ) মানুহজনে ঘৰটো বনাইছে । (১ × ৫ = ৫)

5. তলত উল্লেখ কৰা বিশিষ্ট ব্যক্তি কেইজনৰ ভিতৰত যিকোনো এজনৰ বিষয়ে ৫০টা শব্দত চমুটোকা লিখক। ক) সীতানাথ ব্ৰহ্মচৌধুৰী খ) ৰংবং তেৰাং গ) য়েছে দৰজে ঠংচি (৩)

6. তলৰ যিকোনো এটাৰ ভাব সম্প্ৰসাৰণ কৰক (৫০টা শব্দৰ ভিতৰত): ক) উপকাৰীক অজগৰে খায় । খ) একতাই পৰম বল । (৩)

7. তলৰ দফাটো ভালদৰে পঢ়ি তলৰ প্ৰশ্ন কেইটিৰ উত্তৰ দিয়া । বুদ্ধদেৱৰ পিতৃ প্ৰদত্ত নাম আছিল সিদ্ধাৰ্থ । খ্ৰীষ্ট পূৰ্ব প্ৰায় ৫৬৭ ত নেপালৰ কপিলাবস্তুৰ ওচৰত লুম্বিনীত তেখেতৰ জন্ম । মাহীমাক গৌতমীৰ দ্বাৰা লালিত পালিত হোৱা বাবে গৌতম ৰূপে পৰিচিত হয় । ল'ৰা কালৰে পৰা গৌতম অতি চিন্তাশীল আছিল । কালক্ৰমত যশোধৰা নামৰ এগৰাকী ৰাজকুমাৰীৰ সৈতে তেখেতৰ বিবাহ আৰু এটা পুত্ৰ সন্তান জন্ম হয় । সংসাৰত মানুহবোৰৰ দুখ-কষ্ট দেখি সেই বোৰৰ পৰা পৰিত্ৰাণ পোৱাৰ উদ্দেশ্যে ৰাজ বৈভৱ পৰিত্যাগ কৰে আৰু ৰাজ কা�ৰেঙৰ পৰা ওলাই যায় । অৱশেষত গয়াত এজোপা বৰগছৰ তলত তপস্যাৰ অন্তত দিব্যজ্ঞান লাভ কৰে । তেতিয়াৰ পৰা তেওঁ বুদ্ধ ৰূপে পৰিচিত হয় । বুদ্ধৰ অৰ্থ জ্ঞানী । ক) বুদ্ধদেৱৰ আন দুটা নাম কি ? খ) লুম্বিনী ক'ত ? গ) গৌতমৰ পত্নীৰ নাম কি ? ঘ) গৌতমে ক'ত দিব্যজ্ঞান লাভ কৰে ? ঙ) গৌতমে কিয় ৰাজ বৈভৱ পৰিত্যাগ কৰিছিল ? (৫)

8. আদালত আৰু কাৰ্যালয়ত উপস্থিত থাকিব নোৱাৰা বাবে জিলা আৰু সত্ৰ ন্যায়াধীশলৈ এখন নৈমিত্তিক ছুটিৰ আবেদন লিখক। (৫)

9. অৰ্থ লিখি বাক্য ৰচনা কৰক: ক) দলৰ বগৰী খ) ধোদৰ পচলা গ) অথাই সাগৰ ঘ) মাটিৰ মানুহ (১ ১/২ × ৪ = ৬)

10. কবি চন্দ্ৰকুমাৰ আগৰৱালা দেৱে লিখা "মানৱ বন্দনা" নামৰ কবিতাটিৰ তলত দিয়া পংক্তিটোৰ প্ৰসংগ সংগতি লগাই ব্যাখ্যা কৰক । মানুহেই দেৱ মানুহেই সেৱ / মানুহ বিনে নাই কেৱ, / কৰা কৰা পূজা পাদ্য অৰ্ঘ্য লৈ / জয় জয় জয় মানৱ দেৱ । (২ + ৪ = ৬)

11. তলত দিয়া যিকোনো এটা বিষয়ৰ ওপৰত ৩০০টা শব্দৰ ভিতৰত এখন ৰচনা লিখক । ক) শক্তিশালী ন্যায় ব্যৱস্থা শক্তিশালী গণতন্ত্ৰৰ ভেটি । খ) নিয়মানুবৰ্তিতা । (৮)